

ফটোগ্ৰাফীৰ জগতত 'মাষ্টাৰ অৱ্ মন'ক্ৰম' হিচাপে পৰিচিত প্ৰবুদ্ধ দাসগুপ্তৰ অধিকসংখ্যক আলোকচিত্ৰই আছিল ক'লা-বগা মাধ্যমত তোলা। কিন্তু তেওঁৰ অসাধাৰণ সৃজনশীলতাই সেই ক'লা-বগা আলোকচিত্ৰসমূহতে সমাহাৰ ঘটাইছিল ৰঙৰ প্ৰাচুৰ্যৰ।

# এগৰাকী মহান ফটোগ্ৰাফাৰৰ চিৰবিদায়

শ্ৰদ্ধাঞ্জলি | জিতুমণি পাঠক

স্বৰাজোত্তৰ ভাৰতত ১৯৫৬ৰ ২১ ছেপ্টেম্বৰত জন্মগ্ৰহণ কৰা কলকাতাৰ এজন যুৱকে জীৱনৰ পৰৱৰ্তী সময়ছোৱাত নিজকে প্ৰতিষ্ঠা কৰাৰ সংগ্ৰামত সাৰথি কৰি লৈছিল হাতত থকা কেমেৰাটোক। তেওঁৰ সংবেদনশীল আঙুলিয়ে নিৰৱচ্ছিন্নভাৱে ছাটাৰত ক্লিক কৰি গৈছিল। প্ৰতিটো ক্লিকত বন্দী হৈ পৰিছিল সময়, অপূৰ্ব নৈসৰ্গিকতা, জীৱনৰ ভাস্কৰ্য। তেওঁৰ কেমেৰাত বন্দী হোৱা প্ৰতিখন আলোকচিত্ৰই আছিল যেন একো একোখন জীৱন্ত পেইণ্টিং। কেমেৰাটো যেন তুলিকা। ছাটাৰত তেওঁৰ আঙুলি কেতিয়াও থমকি নৰ'ব যেন লগা এই মহান ফটোগ্ৰাফাৰৰ জীৱনটোৱেই যোৱা ১২ আগষ্টত চিৰদিনৰ বাবে স্তব্ধ হৈ পৰিল। মাত্ৰ ৫৬ বছৰ বয়সতে জীৱন নাটৰ সামৰণি পেলোৱা কলকাতাৰ সেই সংগ্ৰামী যুৱক, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ফটোগ্ৰাফাৰগৰাকী হ'ল প্ৰবুদ্ধ দাসগুপ্ত।



ফটোগ্ৰাফাৰ দাসগুপ্ত



প্ৰবুদ্ধ দাসগুপ্ত বৃত্তিত আছিল এগৰাকী ফেশ্বন ফটোগ্ৰাফাৰ। পেছাদাৰিত্বৰ বাবেই স্বাভাৱিকতে তেওঁৰ আলোকচিত্ৰসমূহৰ সৈতে সংপৃক্ত হৈ আছিল কমাৰ্চিয়েলিজমৰ সৌৰভ। কিন্তু তেনে এক সীমাবদ্ধতাৰ মাজতো তেওঁৰ দ্বাৰা গ্ৰহণ কৰা আলোকচিত্ৰসমূহত সকলোৱে সহজে অনুমান কৰিব পাৰিছিল তেওঁৰ উপস্থিতি। সম্পূৰ্ণ বাণিজ্যিক স্বাৰ্থত গ্ৰহণ কৰা আলোকচিত্ৰসমূহতো দৃশ্যমান হৈছিল নান্দনিকতাৰ সমাহাৰ। এয়া কেৱল সম্ভৱ হৈছিল তেওঁৰ অসাধাৰণ সৃজনশীলতা আৰু কল্পনা শক্তিৰ বাবে। প্ৰবুদ্ধ দাসগুপ্তৰ কেমেৰাৰ লেন্সত যিয়েই বন্দী হৈছিল সিয়েই সাধাৰণৰপৰা অসাধাৰণ হৈ পৰিছিল; উন্নীত হৈছিল এক শিল্পলৈ। ফটোগ্ৰাফীৰ জগতত 'মাষ্টাৰ অৱ্ মন'ক্ৰম' হিচাপে পৰিচিত প্ৰবুদ্ধ দাসগুপ্তৰ অধিকসংখ্যক আলোকচিত্ৰই আছিল ক'লা-বগা মাধ্যমত তোলা। কিন্তু তেওঁৰ অসাধাৰণ সৃজনশীলতাই সেই ক'লা-বগা আলোকচিত্ৰসমূহতে সমাহাৰ ঘটাইছিল ৰঙৰ প্ৰাচুৰ্যৰ। নিয়ম ভঙাৰ তাড়নাই চাগে অহৰহ প্ৰবুদ্ধ কৰি ৰাখিছিল প্ৰবুদ্ধ দাসগুপ্তক। সেয়েহে ফটোগ্ৰাফীৰ প্ৰাথমিক ধাৰণাসমূহক আওকাণ কৰি নিজৰ চেতনাস্ৰোতক কল্পনাৰে ৰঞ্জিত কৰি তুলিছিল কিছুমান একক, অনন্য আলোকচিত্ৰ। পৰৱৰ্তী সময়ত সিয়েই সৃষ্টি কৰিছিল ফটোগ্ৰাফীৰ এক নতুন ধাৰা, যাৰ জনক প্ৰবুদ্ধ দাসগুপ্ত।

ডিজাইনাৰ ৰেণ্ডেল ৰড্ৰিগে প্ৰবুদ্ধ দাসগুপ্ত সম্পৰ্কে মন্তব্য কৰি কৈছিল যে তেওঁ প্ৰকৃতাৰ্থতে আছিল এগৰাকী জিনিয়াছ। ৰড্ৰিগৰ জীৱনৰ প্ৰথমটো ডাঙৰ ফটো শ্বুটত সংগী হিচাপে আছিল প্ৰবুদ্ধ দাসগুপ্ত। মুম্বাইত অনুষ্ঠিত সেই ফেশ্বন শ্ব'ত কম পোহৰে যথেষ্ট সমস্যাৰ সৃষ্টি কৰিছিল। কিন্তু অসাধাৰণ প্ৰতিভাধৰ প্ৰবুদ্ধ দাসগুপ্তৰ বাবে সেই সমস্যা যেন কোনো সমস্যাই নাছিল। সেই ক্ষীণ পোহৰতে তেওঁ তুলি গৈছিল কিছু অবিশ্বাস্যভাৱে সুন্দৰ ফটোগ্ৰাফ। যিয়ে সেই ফটো দেখিছিল সিয়েই বিস্মিত হৈ পৰিছিল। কাৰণ এজন জিনিয়াছৰ বাবেহে মাথোঁ সেয়া সম্ভৱ। অথচ অসাধাৰণ এই প্ৰতিভাধৰ ব্যক্তিৰ ফটোগ্ৰাফিৰ নাছিল কোনো আনুষ্ঠানিক শিক্ষা। কিন্তু সেয়া তেওঁৰ বাবে দুৰ্বলতা নহৈ হৈ পৰিল এক শক্তি। কিয়নো আনুষ্ঠানিক শিক্ষাই তেওঁৰ ফটোগ্ৰাফিক যি এক সীমাবদ্ধতাৰ ভিতৰত বান্ধি ৰাখিলে হয়, তাৰপৰা তেওঁ আছিল সম্পূৰ্ণৰূপে মুক্ত। আৰু এই মুক্ততাই তেওঁক প্ৰতিষ্ঠা কৰিছিল এগৰাকী একক, অনন্য ফটোগ্ৰাফাৰ হিচাপে।

১৯৯৬ চনত প্ৰবুদ্ধ দাসগুপ্তই 'ৱমেন' নামৰ এখন গ্ৰন্থ প্ৰকাশৰ জৰিয়তে সমসাময়িক ভাৰতত এক প্ৰচণ্ড বিতৰ্কৰ সূত্ৰপাত কৰিছিল। 'ৱমেন' আছিল প্ৰকৃততে প্ৰবুদ্ধ দাসগুপ্তৰ ভাৰতীয় সমাজ জীৱনক ২০০ বছৰীয়া বৃটিছৰ অপছায়াই গ্ৰাস কৰি থকা নিয়মৰ বিৰুদ্ধে এক বিদ্ৰোহ। 'ৱমেন'ত সন্নিৱিষ্ট হৈছিল ভাৰতীয় মহানগৰৰ নাৰীৰ নগ্নতা। বৃটিছে নিৰূপণ কৰি থৈ যোৱা অশ্লীলতাৰ সংজ্ঞাৰ বিৰুদ্ধে তেওঁৰ যেন এয়া আছিল এক প্ৰত্যাহ্বান। কাৰণ ভাৰতীয় সভ্যতা-সংস্কৃতিত নগ্নতাই অতি প্ৰাচীনকালৰেপৰা এক শিল্পৰ মৰ্যাদা লাভ কৰি আহিছে। কিন্তু নিজকে সভ্যতাৰ ধ্বজাবাহক হিচাপে গণ্য কৰা বৃটিছসকলে ভাৰতীয় সভ্যতা-সংস্কৃতিৰ বহুতো ঐতিহ্যক নেতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰাৰ দৰে নগ্নতাকো অশ্লীলতাৰ দোষেৰে অভিযুক্ত কৰিলে। এটা সময়ত বৃটিছ শাসনৰ অন্ত পৰিল যদিও শেষ নহ'ল বৃটিছ শাসনে সৃষ্টি কৰি যোৱা ধ্যান-ধাৰণাৰ। তাৰেই বিৰুদ্ধে যেন বিদ্ৰোহৰ স্ফুলিংগ প্ৰবুদ্ধ দাসগুপ্তৰ 'ৱমেন'। 'ৱমেন'ত যদিও সন্নিৱিষ্ট হৈছিল ভাৰতীয় নাৰীৰ নগ্নতা, তথাপি প্ৰবুদ্ধ দাসগুপ্তৰ কলাসুলভতাই সেই নগ্নতাক অশ্লীলতাৰ পৰ্যায়লৈ ননমাই প্ৰদান কৰিছিল এক শিল্পৰ মৰ্যাদা।

'ৱমেন' আছিল প্ৰবুদ্ধ দাসগুপ্তৰ প্ৰথমখন গ্ৰন্থ। 'ৱমেন'ৰ পিছত ২০০০ চনত প্ৰকাশ পায় তেওঁৰ দ্বিতীয়খন গ্ৰন্থ 'লাডোখ'। লাডাখত সন্নিৱিষ্ট হৈছিল তেওঁৰ আত্ম-অন্বেষণৰ প্ৰতিচ্ছবি। অপূৰ্ব নৈসৰ্গিকতাৰ মাজত জীৱনক বিচৰাৰ প্ৰয়াস কৰিছিল তেওঁ 'লাডাখ'ৰ জৰিয়তে। তেওঁৰ জীৱনৰ শেষ প্ৰকাশিত গ্ৰন্থখনৰ নাম আছিল 'এজ অৱ্ ফেইথ (Edge of faith)',— যিখন প্ৰকাশ পাইছিল ২০০৯ চনত। ভাৰতীয় ফটোগ্ৰাফীৰ পাথেয়স্বৰূপ এইগৰাকী মহান ফটোগ্ৰাফাৰ আৰু কেইটিমান বছৰ আমাৰ মাজত থকা হ'লে ফটোগ্ৰাফীক তেওঁ কি এক উচ্চতা প্ৰদান কৰিলে হয় তাক লৈ কল্পনাৰ ডেউকা বহুদূৰলৈ মেলি দিব পাৰি। কিন্তু আমাৰ বাবে বাস্তৱ সত্যটো এই যে তেওঁ এতিয়া আৰু আমাৰ মাজত নাই।